**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

**---------------------**

ভূটান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দেশখনৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকক সাক্ষাৎ কৰি অসম আৰু ভূটানৰ মাজৰ ঐতিহ্যপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' চেৰিং টবগেৰ সৈতে দুয়োখন ৰাষ্ট্ৰৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ৰ লগতে বাণিজ্যিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে আলোচনা কৰে। তেওঁ কয়, যে ভূটান আৰু অসমৰ মাজত পূৰ্বৰে পৰা ৭টা বাণিজ্যিক পথেৰে যাতায়াত ব্যৱস্থা অব্যাহত আছে। দুয়োখন ভূখণ্ডৰ মাজৰ ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ বাবে অতিৰিক্ত পথৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি অসম মালা প্ৰকল্পৰ অধীনত কোকৰাঝাৰ আৰু গেলেফুৰ মাজত পথ সংযোগ অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ আগেয়ে কালি ভূটানৰ থিম্ফুৰ ছাংগলিমেথাং খেলপথাৰত আয়োজিত দেশখনৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সপত্নীক অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯০৭ চনত ভূটানৰ প্ৰথম ৰজা উগ্যেন ৱাংচুকৰ ৰাজ অভিষেকৰ স্মৃতিত এই ৰাষ্ট্ৰীয় দিৱস উদযাপন কৰা হয়।

oooooo

পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থীৰ ধন ব্যয়ৰ সীমা বৃদ্ধি কৰি ৰাজ্যিক নিৰ্বাচন আয়োগে কালি এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ২০১২ চনৰ নিৰ্বাচনৰ তুলনাত এইবাৰ ডেৰশ শতাংশ ব্যয় বৃদ্ধিত আয়োগে অনুমোদন জনাইছে। নিৰ্বাচনী ফলাফল ঘোষণা দুমাহৰ ভিতৰতে ব্যয়ৰ হিচাপ জিলা আয়ুক্তৰ জৰিয়তে আয়োগক দাখিল নকৰিলে পৰৱৰ্তী পঞ্চায়ত নিৰ্বাচনতত প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব নোৱাৰিব বুলি কোৱা হৈছে। উল্লেখযোগ্য যে ২০১২ চনত জিলা পৰিষদৰ প্ৰাৰ্থীৰ বাবে ব্যয়ৰ সীমা ৪ লাখ টকা আছিল। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে এইবাৰ এগৰাকী সদস্যই সৰ্বাধিক ১০ লাখ টকালৈকে ব্যয় কৰিব পাৰিব। জিলা পৰিষদৰ সদস্যৰ সংখ্যা পূৰ্বৰ ৪২০ গৰাকীৰ পৰা পুনৰ গঠনৰ পাছত ৩৯৭লৈ হ্ৰাস পাইছে। ইপিনে আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী পূৰ্বৰ এক লাখ টকাৰ পৰিৱৰ্তে এইবাৰ আঢ়ৈ লাখ টকালৈ ব্যয় কৰিব পাৰিব। আঞ্চলিক পঞ্চায়তৰ সদস্যৰ সংখ্যাও পূৰ্বৰ ১৮৫ৰ পৰা ১৮১লৈ হ্ৰাস পাইছে। গাঁও পঞ্চায়তৰ সদস্যৰ বাবে ব্যয়ৰ সীমা পূৰ্বৰ ১০ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰৰ পৰা পোনপটীয়াকৈ গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচন কৰা নহ'ব। ইয়াৰ পৰিৱৰ্তে গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্যৰ মাজৰ পৰা এগৰাকী সভাপতি বাছনি কৰা হ'ব। পঞ্চায়ত নতুন সীমা অনুসৰি গাঁও পঞ্চায়তৰ সংখ্যা পূৰ্বৰ ২ হাজাৰ ২০২ খনৰ পৰা ২ হাজাৰ ১৯৩ লৈ হ্ৰাস পাইছে। উল্লেখযোগ্য যে জানুৱাৰী মাহত দুটা পৰ্যায়ত এই নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীয়ে ইতিপূৰ্বে ঘোষণা কৰিছে।

oooooo

সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে কালি চলিত বৰ্ষৰ বাবে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসক আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা প্ৰদান কৰে। সমিতিয়ে বিগত বৰ্ষৰ পৰা প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নাম ভূমিকাত অভিনয় কৰা শিল্পী আইদেউ সন্দিকৈৰ সোঁৱৰণত তেওঁৰ মৃত্যু তিথি ১৭ ডিচেম্বৰৰ দিনা অসমৰ একোগৰাকীকৈ মহিলা শিল্পীক এই বঁটা প্ৰদান কৰি আহিছে। কালি বঁটা প্ৰদান অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত মুকলি সভাত চত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, মন্ত্ৰীদ্বয় অতুল বৰা আৰু কেশৱ মহন্ত, কাজিৰঙা লোকসভা সমষষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা প্ৰমুখ্যে ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই ভোলাগুৰি চাহ বাগিছাৰ পৰা অস্কাৰলৈ অসমীয়া বোলছবিৰ জয়যাত্ৰা বিষয়ক বিশেষ বক্তৃতা প্ৰদান কৰে।

০০০০০০

পঞ্চম বাৰ্ষিক ঢকুৱাখনা গ্ৰন্থমেলা আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ২৩ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচনৰ লগতে চিত্ৰাংকন, কবিতা আবৃত্তি, কুইজ আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই গ্ৰন্থমেলাত কেৰিয়াৰ সজাগতা অনুষ্ঠান, চিত্ৰ আৰু ভাস্কৰ্য শিল্পীৰ সৈতে আলাপ, সংবাদকৰ্মীৰ সৈতে আলাপ আদি অনুষ্ঠানৰো দিহা কৰা হৈছে বুলি আয়োজকে জানিবলৈ দিছে। আজি পুৱা ১০ বজাত  উদযাপন সমিতিৰ সভাপতি ড০ গিৰিণ গগৈয়ে পতাকা উত্তোলনেৰে গ্ৰন্থমেলাৰ কাৰ্যসূচীৰ পাতনি মেলিব। ইয়াৰ পাছতে লখিমপুৰৰ জিলা আয়ুক্তই গ্ৰন্থমেলাৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০০

ত্ৰৈলোক্য বৰগোঁহায়ে কালি অইল ইণ্ডিয়া লিমিটেডৰ অপাৰেশ্যন শাখাৰ নতুন সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯৯৫ চনত অইলৰ দুলীয়াজানৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ ভূতাত্বিক বিভাগত কাৰ্যবাহী নবিচ হিচাপে যোগদান কৰা শ্ৰীবৰগোঁহায়ে অইলৰ ভূবিজ্ঞান আৰু তৈলাশয় শাখাৰ মুখ্য মহা-প্ৰৱন্ধক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ২০১৭ৰ পৰা ২০২১ চনলৈকে অইলৰ গেবন অন্বেষণ প্ৰকল্পৰ মহা-প্ৰৱন্ধক হিচাপেও দায়িত্ব পালন কৰিছিল।

০০০০০০

২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্যৰ যোগ্য সমবায় সমিতিসমূহৰ আৰ্থিক সাহায্যৰ আবেদন দাখিলৰ সময়সীমা অহা ২০ ডিচেম্বৰত উকলি যাব। হিতাধিকাৰী অসম সমবায় সমিতি আইন ২০০৭ৰ অধীনত পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। সমবায় সমিতিসমূহৰ ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ যথা বিধি পৰীক্ষণ হোৱাটো বাঞ্ছনীয়। তদুপৰি বিগত ৩ বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিসমূহকহে এই সাহায্যৰ বাবে যোগ্য বিবেচনা কৰা হ'ব। সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ লগতে ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহে www.farcs.assam.gov.inৰ জৰিয়তে এই আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।

০০০০০০

সমাপ্ত